**2019**

# ASSAMESE

( Honours )

Paper : ASM–HC–1016

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনৰ ৰচক কোন ?

(খ) বাণীকান্ত কাকতিয়ে অসমীয়া সাহিত্যৰ ইতিহাসৰ আৰম্ভণি কোন শতিকাৰ পৰা হোৱা বুলি উল্লেখ কৰিছে ?

(গ) দেবেন্দ্ৰনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ যুগক কেইটা ভাগত বিভক্ত কৰিছে ?

(ঘ) অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন কি ?

(ঙ) 'শূন্য পুৰাণ' নামটো গ্ৰন্থখনৰ কোনগৰাকী সম্পাদকৰ সৃষ্টি ?

(চ) 'প্ৰহ্লাদ চৰিত্ৰ'ৰ বাহিৰে হেম সৰস্বতী ৰচিত আন এখন পুথিৰ নাম লিখা ।

(ছ) অসমীয়া সাহিত্যত যুদ্ধকাব্যৰ ৰচক হিচাপে কোনগৰাকী কবি প্ৰসিদ্ধ ?

(জ) শংকৰদেৱে কি ৰচনা কৰোঁতে মাধৱ কন্দলিক 'পূৰ্বকবি অপ্ৰমাদী' বুলি স্বীকৃতি দি থৈ গৈছে ?

(ঝ) কোনগৰাকী কবি অসমীয়া ব্যাস ৰূপে খ্যাত ?

(ঞ) শংকৰদেৱৰ ৰচিত সংলাপযুক্ত প্ৰথম অংকীয়া নাটখনৰ নাম কি ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থখনৰ সংকলক কোন ? গ্ৰন্থখন মুঠ কিমানটা খণ্ডত বিভক্ত ?

(খ) হৰপ্ৰসাদ শাস্ত্ৰীয়ে চৰ্যাপদসমূহ ক'ৰ পৰা সংগ্ৰহ কৰি আনিছিল আৰু কি নামেৰে গ্ৰন্থাকাৰে প্ৰকাশ কৰিছিল ?

(গ) মুঠ কিমানগৰাকী সিদ্ধাচাৰ্যৰ কথা পোৱা যায় আৰু ইয়াৰে কিমানগৰাকীয়ে চৰ্যাপদ ৰচনা কৰিছিল ?

(ঘ) হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' গ্ৰন্থখন কোনে প্ৰথমতে আৰু কিমান চনত সম্পাদনা কৰি প্ৰকাশ কৰিছিল ?

(ঙ) পাঁচালী সাহিত্যৰ কি কি দুটা ভাগ দেখা যায় ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মহেশ্বৰ নেওগে "অসমীয়া সাহিত্যৰ বুৰঞ্জীক নিৰ্দিষ্ট সময় দেখুৱাই যুগবিভাগ কৰাৰ পৰিৱৰ্তে বিষয় আৰু কবিসকলৰ ওপৰত প্ৰাধান্য দি কেইটামান ভাগত ভগাইছে।" নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত অসমীয়া সাহিত্যক কি কি ভাগত ভগাই আলোচনা কৰিছে, উল্লেখ কৰা।



( Continued )

(খ) ডাকৰ বচন সম্পৰ্কে এটি টোকা যুগুত কৰা।

(গ) হৰিবৰ বিপ্ৰৰ সাহিত্যকৃতি বৰ্ণনা কৰা।

(ঘ) হেম সৰস্বতীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজনৰ চমু পৰিচয় দাঙি ধৰা।

(ঙ) শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যবোৰ লিখা।

(চ) মাধৱদেৱৰ সাহিত্যিক প্ৰতিভা সম্বন্ধে আলোচনা কৰা।

৪। (ক) হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া সাহিত্যক কালানুক্ৰমিকভাৱে কি কি ভাগত, কেনেকৈ বিভক্ত কৰিছে বিতংকৈ লিখি এই যুগবিভাজনৰ আসোঁৱাহসমূহ বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) সত্যেন্দ্ৰনাথ শৰ্মাকৃত অসমীয়া সাহিত্যৰ যুগবিভাগ উপস্থাপন কৰি এই যুগবিভাগৰ সপক্ষে বা বিপক্ষে তোমাৰ অভিমত ব্যক্ত কৰা আৰু নিজা ধৰণে অসমীয়া সাহিত্যৰ যুগবিভাগ কৰিবলৈ প্ৰয়াস কৰা।

৫। (ক) উত্তৰ কালৰ অসমীয়া সাহিত্য সম্পৰ্কে সম্যক ধাৰণা দি চৰ্যাপদ আৰু কামৰূপৰ চৰ্যাকাৰ সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) উমৈহতীয়া সাহিত্য বুলিলে কি বুজা? উমৈহতীয়া সাহিত্য হিচাপে 'শ্ৰীকৃষ্ণকীৰ্তন' ৰ বিষয়ে বহলাই লিখা।

৬। (ক) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ পটভূমি আৰু সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) মাধৱ কন্দলি কোন যুগৰ কবি? তেওঁৰ সাহিত্যকৃতি আৰু সাহিত্যিক প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

৭। (ক) অসমীয়া গদ্য সাহিত্যৰ জন্ম কোনটো যুগত হৈছিল? অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি প্ৰক্ৰিয়া সম্পৰ্কে ফঁহিয়াই লিখা। ১০

*অথবা*

(খ) 'পাঁচালী' শব্দৰ বিকাশ দেখুৱাই অসমীয়া পাঁচালী সাহিত্য সম্পৰ্কে সম্যক ধাৰণা দিয়া।

★★★